বিজ্ঞান ধাৰাৱাহিক ঃ বহনক্ষম বিকাশৰ ...

খণ্ড ২৩ ঃ পানী সংগ্ৰহ আৰু সংৰক্ষণৰ নতুন কথা ... শ্যামাপ্ৰসাদ শৰ্মা

(মূল লেখনিৰ পৰা যৎ সামান্য তথ্য আৰু আভাস লোৱা হৈছে)

চৰিত্ৰ সমূহ:

১. ৰাজেন্দৰ সিং, ' জলপুৰুষ' ৰূপে খ্যাত

২. সুমন, সাক্ষাৎ লওঁতা, জল - সংৰক্ষণ - স্বেচ্ছাসেৱী

৩. ড০ শৰ্মা, জলসংৰক্ষণ বিশেষজ্ঞ

৪. বিদিশা, শৰ্মাৰ সহকাৰী

৫. শাৰদী, উদ্যোগী গঞা

৬. মহুৰা, উদ্যোগী গঞা, গাওঁবুঢ়া

( পঞ্চায়তত মুকলি আলোচনাৰ দ্বিতীয় পৰ্ব। 'জলপুৰুষ' ৰাজেন্দৰ সিঙৰ সাক্ষাৎকাৰৰ ভিডিঅ' প্ৰদৰ্শন চলি আছে...)

ৰাজেন্দৰঃ নমস্কাৰ! মই ৰাজেন্দৰ সিঙে কৈছো। ময় ৰাজস্থানৰ বাসিন্দা, ৰাজস্থানৰ গাৱঁৰ মানুহ। ৰাজস্থানৰ মৰুভূমিৰ কথা আপোনালোকে জানেই, -- পানীৰ কষ্টৰ কথাতো ক'বই নালাগে...। পানীৰ অভাৱত আমাৰ গাৱঁৰ মানুহবোৰ গাওঁ এৰি যাবলৈ বাধ্য হয় ...। মানুহবোৰৰ আলাই - আথানি দেখিয়েই, মই এই কাম হাতত লওঁ ...। সেয়া ১৯৮০ চনত কথা, প্ৰায় ডেৰ কুৰি বছৰ আগৰ কথা ... (স্মৃতিৰোমন্থণৰ আৰহ)

সুমনঃ বাৰু সিং ডাঙৰীয়া! এনে নতুন উদ্ভাৱণৰ কথা আপোনাৰ মনলৈ কেনেকৈ আহিল?

সিংঃ এয়া দৰাচলতে মোৰ উদ্ভাৱন নহয়। .. আমাৰ পূৰ্বপুৰুষ সকলে পানী সংৰক্ষণৰ নামত ভালেমান কৌশল ব্যৱাহাৰ কৰি সুখে - সন্তোষে দিন কটাইছিল, ... মই ঠিক সেইবোৰকেই ... এতিয়াৰ সৈতে খাপ খোৱাকৈ ব্যৱহাৰ কৰিছো।

সুমনঃ তাৰ মানে এইবোৰক 'গ্ৰাম্য প্ৰযুক্তি'য়েই বুলিব পাৰি?

ৰাজেন্দৰ ঃ নিশ্চয় পাৰি! ইয়াৰ গুৰিতেই যি বিজ্ঞান তাক আজিৰ বিজ্ঞানেও স্বীকাৰ কৰে। এইবোৰ শতিকাৰ পিছত শতিকা জুৰি চলি অহা গ্ৰাম্য প্ৰযুক্তি ...

সুমনঃ বাৰু সিং ডাঙৰীয়া! আপুনি কেনেদৰে আৰম্ভ কৰিলে?

ৰাজেন্দৰঃ প্ৰথমতে, পানী জমা কৰি ৰখাৰ বাবে আমাৰ গঞা - ভাইসকলৰ লগ লাগি কিছুমান সৰু সৰু বান্ধ সাজিলো। এই বান্ধবোৰত বৰষুণৰ পাণী জমা হ'বলৈ ধৰিলে ... আৰু কেই বছৰ্মানৰ ভিতৰতেই ... তললৈ নামি যোৱা ভূগৰ্ভৰ জলস্তৰ বাঢ়ি আহিবলৈ ধৰিলে ...

সুমনঃ ... আৰু অঞ্চলবোৰ জীপাল হৈ উথিবলৈ ধৰিলে।

ৰাজেন্দৰঃ হয়! শুকান ভূমিখণ্ড জীপাল হৈ উঠা মানেই ... খেতি - বাতি - পশুপালনেৰে এক ...

দুয়োঃ ... স্বচ্ছল জীৱন, জীৱনৰ জয় গা-ন। (সংগীত)

ৰাজেন্দৰঃ ... প্ৰথমতে, বহুতেই মোৰ কাম - কাজক তাচ্ছিল্য কৰিছিল, পাগলৰ পাগলামি বুলি ... মোকো ইতিকিং কৰিছিল; কিন্তু অৱস্থাৰ পৰিৱৰ্তন হোৱাৰ লগে লগে ...

দুয়োঃ ... সকলো সলনি হৈ গ'ল!!

ৰাজেন্দৰঃ ... তেওঁলোকে নিজ নিজ এলেকাত বান্ধতো সাজিলেই ... তাৰ লগে লগে ভালেমান জলাশয়ো খান্দিলে ...! তেতিয়ালৈকে তেওঁলোকে ইয়াৰ অন্তৰ্নিহিত বিজ্ঞানখিনি বুজি উঠিছিল যে ...

সুমনঃ ... বৰষুণ কম হ'লেও, মাজে মধ্যে হ'লেও, বৰষুণৰ পাণী জমা কৰি ৰখাৰ ব্যৱস্থা কৰিলেহে, ই নিগৰি গৈ মাটিৰ তলৰ পাণীৰ স্তৰ বৃদ্ধি কৰিব পাৰিব ... আৰু ইয়েই শুকান মাটিকো ...

দুয়োঃ জীপাল কৰি ৰাখিব!!

ৰাজেন্দৰঃ যিবোৰ এলেকাত ... এই কৌশল প্ৰয়োগ কৰি হৈছে ... সেইবোৰ এলেকা এতিয়া সেউজেৰে ভৰা, পৰিপূৰ্ণ জীৱনৰ জয়গানেৰে মুখৰিত

সুমনঃ মানে ... পাণীৰ অভাৱৰ বাবে গাওঁ এৰি যোৱাৰ কথা ...

দুয়োঃ ... মানুহে আৰু এতিয়া ভাবিবই নোৱাৰে!

(সাক্ষাৎকাৰৰ শেষত সংগীত)

সুমনঃ শ্ৰদ্ধেয় ৰাইজ! আৰু পঞ্চায়তৰ সদস্যসকল! এয়াই হ'ল জলপুৰুষ নামে খ্যাত ৰাজেন্দৰ সিং নামৰ মানুহজনৰ সংগ্ৰাম আৰু সফলতাৰ কাহিনী! তেওঁৰ এই প্ৰচেষ্টা সফল হোৱা দেখি ... গঞা সকলে তেওঁক উদ্ধাৰকৰ্তাৰ ৰূপত মৰম আৰু সন্মান কৰিবলৈ ধৰিলে... আৰু তেঁওৰ নাম দিলে ... জল - পুৰু- ষ!!

সভাসদসকলঃ জল - পুৰু - ষ!!

বিদিশাঃ শ্ৰদ্ধাৰ ৰাইজ আৰু সদস্যসকল! জল্পুৰুষ ৰাজেন্দৰ সিঙৰ এই ভিডিঅ'টো দেখুওৱাৰ কেবাটাও কাৰণ আছে। তাৰে এটা হ'লগৈ -- বৃহৎ বাজেট, বৃহৎ দীৰ্ঘম্যাদী আচঁনি নোহোৱাকৈও ...ব্যক্তি আৰু গোষ্ঠীবিশেষৰ তৎপৰতাত জলসংৰক্ষণৰ ক্ষেত্ৰত ভালেমান কামেই হ'ব পাৰে ...। এই বিষয়ে আপোনালোকক আৰু সবিশেষ জনাব আমাৰ জলসংৰক্ষণ বিভাগৰ বিশেষজ্ঞ ড০ শৰ্মাই! ... ড০ শৰ্মা চাৰ!

(সকলোৱে হাততালিৰে আদৰণি জনায়।)

শৰ্মাঃ ধন্যবাদ বিদিশা! শ্ৰদ্ধেয় ৰাইজ! আমাৰ দেশত এনে ধৰণৰ আৰু বহুতো কৌশল বা প্ৰযুক্তিৰে জলসংৰক্ষণ কৰাৰ নিয়ম অতি প্ৰাচীন কালৰে পৰাই চলি আহিছে। ইয়াৰে এটা উদাহৰণ হ'ল, হিমালয় অঞ্চলৰ শিৱালিক পৰ্বতৰ ওচৰে পাজঁৰে ব্যৱহাৰ হোৱা এক ধৰণৰ পাণীৰে চলা মিল।

শাৰদী ঃ পাণীৰে চলা মিল?

শৰ্মাঃ হয় শাৰদী। মানে ... নৈৰ পাণীৰ সোঁতেৰে চলোৱা মিল। এই মিলবোৰ আটা পিচিবৰ বাবে অতি পুৰনিকালৰে পৰাই ব্যৱহাৰ হৈ আহিছে। উত্তৰ ভাৰতৰ ভালেমান এলেকাত এনে ধৰনৰ মিলবোৰৰ জৰিয়তেই আটা প্ৰস্তুত কৰা হৈছিল। বিদিশা! 'ঘৰাত'ৰ শ্লাইডখন।

বিদিশাঃ দিছো চাৰ!

শৰ্মাঃ এই চাওক। পাণীৰে চলোৱা এই মিলবোৰক তাৰ মানুহে 'ঘৰাত' বোলে।

সমস্বৰঃ ঘৰা-ত।
শাৰদীঃ তাৰ মানে ... ঘৰাত বোৰ চলাবৰ বাবে নৈ পাণীৰে ভৰি থাকিব লাগিব আৰু তাত সোঁত থাকিব লাগিব?
শৰ্মাঃ এৰা! ঘৰাতবোৰত বোৰতী পাণীৰ শক্তি ব্যৱহাৰ কৰা হয়।
মহুৱাঃ ... মানে আমাৰ জলবিদ্যুত প্ৰকল্পবোৰৰ দৰেই?
শৰ্মাঃ হয় গাওঁবুঢ়া ডাঙৰীয়া! .. সুমন! তুমি পাৰ্থক্যখিনি বুজাই দিবা নেকি?
সুমনঃ হ'ব চাৰ! জলবিদ্যুত প্ৰকল্পবোৰ বেছ খৰচী আৰু বান্ধবোৰ ডাঙৰ। সেয়ে ইয়াৰপৰা হ'ব পৰা ক্ষয় - ক্ষতিৰ পৰিমানো বেছি। ঘৰাত বোৰৰ পৰা তেনে ভয় নাই আৰু সেইবোৰ কম খৰচতেই সাজি ল'ব পাৰি।
বিদিশাঃ এইবোৰে নৈৰ গতিক বাধাও নিদিয়ে আৰু পৰিৱেশো নষ্ট নকৰে।
শৰ্মাঃ পিছে এটা কথা! নৈত পৰ্য্যাপ্ত পৰিমানে পাণী নাথাকিলে এই ঘৰাতবোৰ চলাব নোৱাৰি।
মহুৱাঃ তাৰ মানে খৰালি ... নৈৰ পাণী শুকাই গ'লে ...
বিদিশাঃ হয়! আপুনি ঠিকেই ধৰিছে। .. আগতে পিছে সেই অঞ্চলত তেনে সমস্যা নাছিল। বাৰিষাৰতো কথাই নাই, খৰালিও নৈবোৰত ভালেখিনি পাণী আছিল, -- মানে ঘৰাত বোৰ চলাব পৰাকৈ পাণী আছিল ...
শাৰদীঃ .. আজি - কালি চাৰ! খৰালি তো কথাই নাই, বাৰিষাও দেখোন আমাৰ এইফালে .. নদীবোৰত পাণী কমেই থাকে ...
সুমনঃ ... এই আটাইবোৰ আচলতে যধেমধে বন ধ্বংস কৰাৰ ফল। শিৱালিক অঞ্চলতো সেই একেই কথা ...
মহুৱাঃ ... তেতিয়াহ'লেতো ঘৰাত চলাৰ কথাই নাই...
সুমনঃ হয়! সম্প্ৰতি ঠিক সেইটোৱেই হৈছে। নিৰাপদ আৰু পৰিৱেশ নষ্ট নকৰা ঘৰাত পদ্ধতি এৰি মানুহবোৰে আটা পিচাৰ বাবে ডিজেল ইঞ্জিন ব্যৱহাৰ কৰিবলৈ ...
শাৰদীঃ হাৰে! ডিজেল ইঞ্জিনে দেখোন .. ইতিমধ্যে বেয়া হৈ পৰা পৰিৱেশ আৰু বেয়া কৰি তুলিব ...
বাকীবোৰঃ ... তুলিব নহয়, তুলিছেই... !!
শৰ্মাঃ চাওঁক! ঘৰাতৰ কাৰ্য্যনীতি প্ৰকৃতিৰ পৰা পোৱা পাণীৰ শক্তি। ই নিৰাপদ আৰু পৰিৱেশ হিতৈষী ...। .. দুখৰ কথা, এনে হোৱা সত্বেও, বন ধ্বংসৰ ফলতেই এই প্ৰযুক্তি এতিয়া বিলুপ্তই হৈ গৈছে ...।
মহুৱাঃ তাৰ মানে চাৰ! পৰিৱেশৰ ইটোৰ লগত সিটোৰ এৰাব নোৱাৰা সম্পৰ্ক আছে?
শৰ্মাঃ আছেতো! আচলতে প্ৰকৃতিৰ সকলো উপাদানেই ইটোৰ সৈতে সিটো জড়িত। এইটোকেই বিজ্ঞানৰ ভাষাত পৰিৱেশ - চক্ৰ বোলে। এই চক্ৰৰ যি কোনো এটাৰ ক্ষতি হ'লেই, গোটেই চক্ৰটোই সোলোক - ঢোলোক হৈ পৰে ... আমাৰ অনিষ্ট হয় ...। .. বাৰু এটা কথা। ৰাজেন্দৰ সিঙৰ দৰে লোকক অনুকৰণ কৰি আমি বাৰু জলসংগ্ৰহ আৰু সংৰক্ষণ কৰিলোই; কিন্তু সেই জলভাণ্ডাৰৰ পৰা আমি যদি যধে মধে আৰু বেহিচাপত পাণী খৰচ কৰো ...
শাৰিদী + মহুৱাঃ .. জলসংগ্ৰহ আৰু সংৰক্ষণ কৰা নকৰাৰ একো ...
বাকীবোৰঃ .. অৰ্থই নাথাকিব!!
শৰ্মাঃ এৰা! সেইটোও এটা অতি দৰ্কাৰী কথা। এই দিশত ১৯৭২ চনতেই মহাৰাষ্ট্ৰত এজন লোকে বাছ ভাল কাম কৰিছিল। তেওঁ ৰাজেন্দৰ সিঙৰ লেখিয়াকৈ জলসংগ্ৰহ আৰু জলসংৰক্ষণৰ কাম কৰাৰ উপৰিও, আৰু এটা নতুন কাম কৰিহিল ...। .. বিদিশা! পিছৰ শ্লাইড কেইখন ...
বিদিশাঃ দিছো চাৰ! .. এয়া চাওক! এয়া হ'লগৈ ... বিলাসৰাও সংখুলে!
বাকীবোৰঃ বিলাসৰাও সংখুলে!!
সুমনঃ বিলাসৰাও পেচাত ইঞ্জিনীয়াৰ আছিল। তেওঁ তেওঁৰ ইঞ্জিনীয়াৰিঙৰ জ্ঞান ব্যৱহাৰ কৰি মহাৰাষ্ট্ৰৰ এক বিশাল এলেকা খৰাঙৰ গৰাহৰপৰা ৰক্ষা কৰিছিল ...
বিদিশাঃ ... এয়া চাওক! বিলাসৰাওৰ নেতৃত্বত গঞা সকলে সৰু সৰু বান্ধ সাজিছে। .. আৰু এয়া চাওক! পাহাৰৰ নামনিত তেওঁলোকে বৃহৎ আকাৰৰ পাণীটেংকি সাজিছে! দুয়োটা কামতে তেওঁ গঞাসকলক বুজাই - বঢ়াই সক্ৰিয় ভাৱে অংশগ্ৰহণ কৰাৰ বাবে উদ্বুদ্ধ কৰিছিল আৰু এনে কৰাৰ গুৰিতেই আছিল তেওঁৰ একনিষ্ঠ বিশ্বাস যে ...
বিদিশাঃ ... ৰাইজৰ কামৰ বাবে ৰাইজৰ সমূহীয়া অংশগ্ৰহণেই হৈছে সফলতাৰ ...
আটায়েঃ ... একমাত্ৰ চাবি - কাঠি!!
শৰ্মাঃ আপোনালোকে মন কৰিছেনে? গোটেই কামখিনি দুটা ভাগত বিভক্ত।
শাৰদীঃ ... চাৰ! প্ৰথম ভাগটো দেখোন জলপুৰুষ ৰাজেন্দৰ সিঙৰদৰে একেই ...
শৰ্মাঃ এৰা! আৰু দ্বিতীয়টো মানে পাহাৰৰ নামনিত পাণীটেংকি সজাটো নতুন! .. বাৰু, এনে টেংকিৰদ্বাৰা কি লাভ হ'ব নো?
মহুৱাঃ পাহাৰৰ ঢালেৰে বৈ অহা পাণীৰ ঢল সিচঁৰতি হৈ যোৱাত বাধা দিয়াৰ উপৰিও, এই টেংকিতেই জমা কৰিব পৰা যায়।
শৰ্মাঃ এৰা! তুমি ঠিকেই কৈছা। .. এয়াও অপচয় হ'ব ধৰা পাণী সংৰক্ষণৰ এক ধৰণৰ বেছ ভাল কাৰিকৰী কৌশল! .. এই দুটাৰ উপৰিও আৰু এটা কাম কৰিলে। .. এইদৰে সংৰক্ষণ কৰা পাণী যাতে সকলোৱে সমানে পাব পাৰে, তাকে চাবলৈ তেওঁ অঞ্চলটোত একোটাকৈ সমিতি গথন কৰি দিলে, আৰু এই সমিতিবোৰেই হ'লগৈ ...
শৰ্মা + বিদিশা + সুমন ঃ জল - পঞ্চায়ত।
বাকীবোৰঃ জলপঞ্চায়ত!!
শাৰদীঃ চাৰ! আমি গাঁও পঞ্চায়তৰ কথাতো জানো ...
মহুৱা + শাৰদীঃ .. এই জলপঞ্চায়ত আকৌ ... ?
শৰ্মাঃ .. জল - পঞ্চায়ত হ'লগৈ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আৰম্ভ কৰা এক নতুন ধাৰণা। পাণীৰ ভাগ - বটোৰাৰা লৈ হ'ব পৰা কাজিয়া - পেচাঁল

আৰু অপচয় আদি ৰোধ কৰিবলৈ কৰা এক বিশেষ ব্যৱস্থা ...। বিদিশা ... !
বিদিশাঃ ... দিছো চাৰ ! এয়া চাওক ! এই শ্লাইড খনত পাণীৰ আৱন্টনৰ বাবে জল - পঞ্চায়তৰ নিয়মবোৰ আছে ...। ইয়াৰ আটাইতকৈ গুৰুত্ব পূৰ্ণটো হ'লগৈ ...। কোনোবা এজনে পঢ়ি দিব নেকি ?
শাৰদীঃ মই দিওঁ বাইদেউ ! .. পাণীৰ আবন্টন প্ৰতিঘৰৰ সদস্যৰ সংখ্যামতে কম - বেছি হ'ব !
মহুৱাঃ এৰা ! এইটোৱেইতো আচল কথা। পৰিয়ালৰ মানুহ বেছি হ'লে পাণী বেছি লাগিব আৰু কম হ'লে কম।
সুমনঃ ইয়াৰ ফলতে সকলোৱে সন্তুষ্টি বাঢ়িব আৰু জলসংগ্ৰহ আৰু সংৰক্ষণৰ বাবে আগ্ৰহো বাঢ়িব। এয়াই আচলতে বিজ্ঞানীসকলে জোৰ দি থকা জন - ব্যৱস্থাপনাৰ গুৰিৰ কথা।
বিদিশাঃ জল - ব্যৱস্থাপনাৰ আৰু এটা ডাঙৰ কথা হলগৈ খেতিয়কসকলক কম পাণীৰে কৰিব পৰা খেতিৰ প্ৰতি আকৰ্ষিত কৰা। তেনে কৰিলেও এলেকা একোটাত বছৰটোৰ ভালেখিনি পাণী ৰাহি হয়। .. এয়া চাওক ! এই শ্লাইডখনত কম পাণীৰে কৰিব পৰা শস্য আৰু ফচলবোৰ দেখুওৱা হৈছে ...। চিনি পাইছেনে এইবোৰ ?
আটায়েঃ পাই - ছো ! !
সুমনঃ আপোনালোকে নিজ নিজ এলেকাত খেতিয়ক সকলক এনেবোৰ খেতি কৰাৰ বাবে আগ্ৰহি কৰি তুলিব পাৰে।
বিদিশাঃ তাৰ বাবে দিহা - পৰামৰ্শ দিবলৈ আৰু সহায় কৰিবলৈ ওচৰে -পাজঁৰে থকা কৃষি কেন্দ্ৰ আৰু কৃষিবিষয়াসকল আছেই ...।
আটায়েঃ হয়োতো ! এই বিষয়ে আমি ভবাই নাছিলো।
শৰ্মাঃ আপোনালোকে এতিয়াৰেপৰা এই বিষয়ে চিন্তা কৰক আৰু নিজ নিজ এলেকাৰ খেতিয়ক সকলকো এনেবোৰ কামত লগোৱাৰ ব্যৱস্থা কৰক। আৰু এটা কথা। খেতিৰ মাটি নোহোৱা খেতিয়ক আৰু বৃহৎ খেতি পথাৰত খেতি কৰা সকলৰ বাবে সমূহীয়া জল আবন্টন ব্যৱস্থাও লাগু কৰা হৈছে। .. এনে ব্যৱস্থা সফল কৰি ৰাখিবৰ বাবে চৰকাৰেও সহায় আগবঢ়ায়।
আটায়েঃ সেয়াতো আৰু ভাল ! আৰু ভাল !
শৰ্মাঃ জলপঞ্চায়তৰ আৰু এটা দিহা আমি সকলোৱে সহজেই কামত লগাব পাৰো। তেনে কৰিলে পাণী ৰাহিও হয় আৰু এবাৰ ব্যৱহাৰ কৰা পাণী আকৌ ব্যৱহাৰ কৰিব পাৰি। .. ধৰিব পাৰিছেনে ? ব্যৱহাৰটো কি ?
(প্ৰশিক্ষাৰ্থী সকলৰ মাজত গুনগুননি, অনিশ্চয়তা)
শৰ্মাঃ .. চহৰত বেছিভাগ সচেতন লোকেই এই কামটো কৰে। তেওঁলোকে চাউল - দাইল - শাক -পাচলি - মাছ আদি ধোৱা পাণী এনেয়ে পেলাই নিদিয়ে। ঘৰতে কৰা ফুল আৰু শাক - পাচলিত দিয়ে ...।
মহুৱাঃ অ' এইটোতো আমি আমাৰ ঘৰত খাবলৈ কৰা সৰু খেতিডৰাতো কৰিব পাৰো।
শৰ্মাঃ নিশ্চয় ! নিশ্চয় ! ! এবছৰ ধৰি চাওক, দেখিব পাণীতো ৰাহি হৈছেই, লগতে ফচলৰ গোট আৰু চেহেৰাও মোক - খা -মোক - খা হৈ পৰিছে।
আটায়েঃ হয়তো। এক গুলীত একেলগে .. কেবাটাও চিকা -ৰ ! ! হাঃ হাঃ হাঃ
সুমনঃ বাৰু ! প্ৰশিক্ষাৰ্থী সকল ! এইখিনিতে আমাৰ মুকলি আলোচনাৰ দ্বিতীয় পৰ্ব সামৰিছো। কুৰি মিনিটৰ চাহবিৰতিৰ পিছত তৃতীয় পৰ্বৰ বাবে আকৌ এবাৰ এই ঠাইতেই লগ লাগিম ...
(হাততালি)
দৃশ্য ২
(মুকলি আলোচনাৰ তৃতীয় পৰ্ব)
সুমনঃ পঞ্চায়তৰ সদস্যসকল আৰু ৰাইজ ! ! ইতিমধ্যে পাণীৰ অভাৱ আৰু তাক দূৰ কৰাৰ বাবে আপোনালোকে ভালেমান কথাই জানিলে। .. এতিয়া আমাৰ প্ৰশ্ন আৰু আলোচনা - পৰ্ব। এই বিষয়ত আপোনালোকৰ যদি আৰু কিবা জানিবলগীয়া আছে, তেনেহ'লে সুধিব পাৰে ...
শাৰদীঃ চাৰ ! আজি - কালি আমাৰ ব্ৰহ্মপুত্ৰৰতো কথাই নাই, ইয়াৰ উপনৈ বিলাকতো পাণী কমি গৈছে। বছৰটোৰ বেছিভাগ সময়তেই এইবোৰ উপনদীৰ ঠাইত নলা যেনহে হৈ পৰে ...। ফলত আমাৰ বৰ অসুবিধাই হয় ...। নৈ - উপনৈবোৰত গোটেই বছৰ পাণী ভৰি থকা কৰাৰ কিবা উপায় ...
বিদিশাঃ ঠিকেই কৈছা শাৰদী ! ! এইটো অকল আমাৰ ইয়াৰেই নহয়, গোটেই দেশখনৰেই সমস্যা। .. ইয়াৰ গুৰিৰ কথাটোই হৈছে .. নৈ - উপনৈৰ উৎসবোৰ নিৰাপদ আৰু অবিকৃত কৰি ৰখা। ..অৱশ্যে ইতিমধ্যে নৈ আৰু উপনৈ সংৰক্ষণৰ বাবে চৰকাৰে ভালেমান অতিখৰচী আচঁনি হাতত লৈছেই ...
মহুৱাঃ বাইদেৱে নমামি গংগে আৰু নমামি ব্ৰহ্মপুত্ৰ আদিৰ কথাকেই কৈছে নিশ্চয়।
বিদিশাঃ হয়। ... চাওক ! পাণীৰ উৎস বোলোতে আমি নৈ - উপনৈৰ লগতে খাল -বিল - হ্ৰদ - জলাশয় - পুখুৰী আদি সকলোবোৰকেই ধৰো।
শাৰদীঃ এই উৎসবোৰৰ ভালেমানতো মানুহেই নষ্ট কৰে ...
মহুৱাঃ .. মিনুহেই ধ্বংস কৰে। .. খাল - বিল - নলা - নৰ্দমা পুতি সেইবোৰৰ ওপৰত ঘৰ - দুৱাৰতো সাজেই .. ডাঙৰ ডাঙৰ উদ্যোগো স্থাপন কৰা হয়। নৈ - উপনৈত বান্ধ সাজি পাণীও বন্ধ কৰা হয় ...
শৰ্মাঃ মহুৱা ডাঙৰীয়াই একেবাৰে 'তৎ'ত ধৰা কথাকেই কৈছে। .. এই আটাইবোৰেই পাণীৰ উৎস সংকুচিত কৰে, ক্ষেত্ৰবিশেষে বন্ধও কৰে আৰু ..
বিদিশা + সুমনঃ ... প্ৰদূষিতও কৰে।
শৰ্মাঃ এৰা ! প্ৰদূষণৰ ফলত সোঁত বন্ধ হোৱা বা সংকুচিত হৈ পৰে। তাতোকৈ ডাঙৰ কথা, পাণী থাকিলেও, এনে ধৰণৰ প্ৰদূষিত পাণী মানুহে ব্যৱহাৰেই কৰিব নোৱাৰে ..। আৰু থাকিও ব্যৱহাৰ কৰিব নোৱাৰা বাবেই ... আমাৰ পাণীৰ নাটণি ...
বিদিশা + সুমনঃ ... দিনে দিনে বাঢ়িয়েই আহিব ধৰিছে।
শৰ্মাঃ চাওক ! আমাৰ সভ্যতা - সংস্কৃতিৰ বৃহৎ অংশই নদীকেন্দ্ৰিক বা নদীমাতৃক। .. ভাৰতৰ মুঠ জনসংখ্যাৰ প্ৰায় তিনিভাগৰ এভাগেই গংগাৰ দুয়ো পাৰে থাকে ...। ভাৰতৰ জনসংখ্যা প্ৰায় এশ পঁচিশ কোটি। তাৰ মানে .. প্ৰায় চল্লিশ কোটি লোকেই দৈনন্দিন কাম - কাজৰ বাবে গংগাৰ ওপৰত নিৰ্ভৰ কৰে।

শাৰদী + মহুৰাঃ বাপৰে বাপ ! প্ৰায় চল্লিশ কোটি !!

শৰ্মাঃ হয়, প্ৰায় চল্লিশ কোটি ! .. এই মানুহখিনিৰ বহুতেই গংগাক আৱৰ্জনা পালোৱাৰ বাবে নিশ্চিন্তে ব্যৱহাৰ কৰে। এই কু-প্ৰথা পুৰনি কালৰে পৰাই চলি আহিছে। .. অৱশ্যে এতিয়া ই যিমান প্ৰদূষিত, আগৰ দিনত সিমান নাছিল ...। ইয়াৰ কাৰনটো বাৰু আপোনালোকে কি বুলি ভাৱে ... ??

(আলোচনাৰ গুনগুননি)

শাৰদীঃ চাৰ ! আগৰ তুলনাত এতিয়া গংগাৰ দুয়ো পাৰৰ জনসংখ্যা বহু-ত বেছি !!

শৰ্মাঃ এৰা ! সেইটোৱেই কথা। .. এইখিনিতে সকলোৱে বুজিবলগীয়া আৰু বুজি - বাজি কৰিবলগীয়া কাম এটা আছে। .. সেইটো হ'লগৈ, - যুগে যুগে জনসংখ্যাতো বাঢ়িয়েই থাকিব। গতিকে নৈৰ পাণী ব্যৱহাৰৰ পৰিমাণো বাঢ়িয়েই থাকিব।

বিদিশাঃ ... লগতে প্ৰদূষণৰ মাত্ৰাও বাঢ়িয়েই থাকিব।

শৰ্মাঃ ... সেইবাবেই ... আমি সকলোৱে খুউব হিচাপ কৰিহে পাণী খৰচ কৰিব লাগিব। নৈখন আছে যেতিয়া ক'তনো পাণীৰ অভাৱ হ'ব বুলি 'কেতিয়াও' ভাবিব নালাগে ...

মহুৰাঃ ... লগতে চাৰ নৈক আৱৰ্জণা পেলোৱাৰ সহজ যতন বুলিও ভাবিব নালাগে; বৰং আৱৰ্জণা নৈ - উপনৈ আৰু জলাশয়তো পেলাব নালাগে।

সুমনঃ মহুৰা ডাঙৰীয়াই আচল কথাটোকেই কৈছে। এই দিশত মানুহ অভ্যস্ত হৈ উঠা নাই। সেইবাবেই তেওঁলোকে যুগ যুগ ধৰি চলি অহা এই ক্ষয়ংকাৰী প্ৰথা এৰিব পৰা নাই আৰু ...

বিদিশাঃ ... আমাৰ বৰ্তমান আৰু ভৱিষ্যত ...

আটায়েঃ ... কষ্টকৰ আৰু দুৰ্য্যেগময় কৰিব তুলিব ধৰিছে !

শৰ্মাঃ হয়। কথাষাৰ এশ ভাগেই সচা। .. গংগাৰ দুয়োপাৰৰ বসতিবোৰৰ পৰা অহা আৱৰ্জণা আৰু দূষিত পাণীয়ে যি কৰিব লাগে তো কৰিছেই, - তাৰ লগতে যোগ হৈ ইয়াৰ দুয়ো পাৰৰ উদ্যোগবোৰৰ পৰা আহি পৰা বিষাক্ত আৱৰ্জণা আৰু গেচ মিহলি পাণী। এইবোৰত মানুহৰ বসতিৰপৰা অহা আৱৰ্জণাতকৈ বহু বেছি গুনে আৰু বেছি মাৰাত্মকভাৱে প্ৰদূষণ কৰিব পৰা গেচ আৰু ধাতুকনা াদি থাকে ...।

শাৰদীঃ তাৰ মানে .. ঘাইকৈ এই দুই ধৰণৰ প্ৰদূষণৰ পৰাই গংগাৰ পাণী মৰণফান্দৰ দৰেই হৈ পৰিছে?

বিদিশাঃ হয়, সেইটোৱেই কথা !

মহুৰাঃ বেমাৰ ধৰা পৰিছে যেতিয়া ...

সুমনঃ .. তাৰ ঔষধো দিয়া হৈছে। .. চাওক, বসতি থাকিলে তাৰপৰা আৱৰ্জণা মিহলি পাণী আহি ডাঙৰ নৈত পৰিবই ! কিন্তু সেই গেলা পাণী যদি নৈত পৰিবলৈ দিয়াৰ আগতেই চাফা কৰি লোৱা হয় ...

বাকীবোৰঃ ... তেতিয়া আৰু প্ৰদূষণ হ'ব ক'ৰ পৰা ?

বিদিশাঃ নদীও বা লেতেৰা হ'ব কেনেকৈ ??

বাকীবোৰঃ .. একেবাৰে চুঙা চাই সোপা !! হা ঃ হা ঃ হা ঃ কিন্তু সেই কামটোকেনো ... ?

শৰ্মাঃ কৰিব কেনেকৈ ? নহয়নে ?? এইখিনিতেই আপোনালোকৰ সন্দেহ নহয় জানো ?

বাকীবোৰঃ হয় ! হয় চাৰ !

শৰ্মাঃ বিজ্ঞান - প্ৰযুক্তিয়ে তাৰ ব্যৱস্থাও আমাক উলিয়াই দিছে। .. বসতিস্থানৰ পৰা ওলোৱা লেতেৰা পাণি চাফা কৰাটো সহজ; কিন্তু উদ্যোগৰ পৰা অহা প্ৰদূষিত পাণী চাফা কৰা সিমান সহজ নহয় ... বিদিশা !

বিদিশাঃ দিছো চাৰ ! .. এইখন, এইখন চাওক ! বসতি অঞ্চলৰ পৰা ওলোৱা নলাৰ লেতেৰা পাণী চাফা কৰা প্ৰকল্প। .. সুমন ...।।

সুমনঃ বসতি অঞ্চলৰ ময়লা আৰু লেতেৰা পাণীক ইংৰাজীতে চিউএজ বোলে। এইবোৰ বোৱাই নিৰ্ধাৰিত ঠাই বা নৈত পেলোৱাৰ বাবে নলা - নৰ্দমাৰ সহায় লোৱা হয়। ই বিজ্ঞানৰ ভাষাত পয়ঃ প্ৰণালী নামে জনাজাত ..

বাকীবোৰঃ পয়ঃ - প্ৰণা - লী - ।

সুমনঃ বিজ্ঞানৰ ভাষাত ইয়েই চিউআৰ মানে আমি সচৰাচৰ যিবোৰক 'ড্ৰেইন' বুলি কওঁ, সেয়াই !!

বাকীবোৰঃ চিউআ-ৰ মানে ড্ৰেইন !

সুমনঃ আকৌ এই গোটেই পয়ঃ প্ৰণালীটোক কাৰিকৰী ভাষাত চিউআৰেজ বোলে। কি বোলে ?

বাকীবোৰঃ চিউ-আ-ৰেজ !!

সুমনঃ আকৌ এই প্ৰণালীৰে নিষ্কাশন কৰা ময়লা আৰু লেতেৰাবোৰকো চিউআৰেজেই বোলে। .. চিউআৰেজ প্লেন্ট হৈছে এই পয়ঃপ্ৰণালী ব্যৱাহাৰ কৰি ময়লা আৰু লেতেৰা পাণী পৰিশোধন কৰা প্ৰকল্প।

মহুৰাঃ চাৰ ! .. এই চিউআৰেজ প্লেন্ট মানে পয়ঃ প্ৰণালীৰে লেতেৰা আৰু ময়লা মিহলি পাণী কিমান চাফা হয় ...

সুমনঃ সেইটো নিৰ্ভৰ কৰে কিমান দক্ষ আৰু উন্নত প্ৰযুক্তিৰ প্লেন্ট বা প্ৰকল্প সজা হৈছে তাৰ ওপৰত। .. থাপিউ, সাধাৰণ ভাৱে ক'ব পাৰি যে এনেদৰে পৰিশোধণ কৰি পেলোৱা পাণী বহু পৰিমাণেই নিৰাপদ। এনে পৰিশধিত পাণীয়ে নৈৰ পাণী প্ৰদূষিত কৰাৰ আশংকা তেনেই কন।

শাৰদীঃ চাৰ ! উপনৈৰ পাণী প্ৰদুষিত হ'লেওতো একে ধৰনৰেই বিপদ !

সুমনঃ কথাতো হয়। পিছে, উপনৈৰ দুয়ো পাৰে জনবসতি সেৰেঙা হ'লে, সেই ভয় নাথাকে। আকৌ পাৰে পাৰে উদ্যোগ নাথাকিলেও সেই ভয় নাথাকে; কিন্তু ঘন বসতি আৰু ৰাসায়নিক উদ্যোগ থাকিলে, উপনৈৰ পাণীও পয়ঃ প্ৰণালী বা চিউআৰেজৰ দ্বাৰা শোদন কৰিহে নৈত পেলাব লাগিব ...। বিদিশা ...।

বিদিশাঃ দিছো ৰ'বা সুমন। .. এয়া, এয়া চাওক ! আগ্ৰা আৰু কাণপুৰ এলেকাৰ জোতা ফেক্তৰীৰ পৰা ওলোৱা পৰিশোধন নকৰা লেতেৰা পাণী !

মহুৰাঃ হাৰে ! কি ভয়ংকৰ কথা ! নদীত পৰাৰ লগে - লগেই দেখোন পৰ্বত প্ৰমাণ ফেণৰ ঢৌ উঠিছে ...

বিদিশাঃ অপকাৰী ধাতুৰ কণা, গেচ আৰু বিষাক্ত ৰসায়ন মিহলি হৈ থাকা বাবেই ... এনে পৰ্বত প্ৰমান ফেণৰ ঢৌ ...। এই ফেণবোৰ অতি বিষাক্ত, নৈৰ পাণীত মিলি যোৱাৰ পিছত ... এইবোৰে নৈৰ পাণী কত ধৰণে যে প্ৰদূষিত নকৰে ...। .. আৰু এয়া চাওক পৰিশোধন প্ৰকল্পত পৰিশোধন কৰাৰ পিছত নৈত পালুৱা পাণী ...।

শাৰদীঃ হয়োতো।
বাকীবোৰঃ ইয়াত দেখোন আগৰ বাৰৰদৰে পৰ্বত প্ৰমান ফেণ সৃষ্টি হোৱা নাই ...।
শৰ্মাঃ এয়াই হৈছে চিউআৰেজ ট্ৰিটমেন্ট প্লেন্টৰ বাহাদুৰি। .. এইখিনিতে আৰু এটা কথা। ভিন ভিন ধৰণৰ উদ্যোগৰপৰা ওলোৱা লেতেৰা, ঘোলা পাণীত থকা প্ৰদূষকৰ ধৰণ -কৰণ আৰু মাত্ৰা বেলেগ বেলেগ! সেইবাবে জোতা ফেক্তৰীৰ বাবে যিটো চিউআৰেজ ব্যৱস্থা, সেইটো প্লাষ্টিক বা কাগজ উদ্যোগৰ বাবে কামত নাহিবও পাৰে।
মন্থৰাঃ তাৰ মানে প্ৰত্যেকবিধ উদ্যোগৰ পৰা ওলোৱা লেতেৰা পাণীৰ বাবে ...
শৰ্মাঃ হয়, বেলেগ বেলেগ ধৰণৰ, বেলেগ বেলেগ কাৰ্য্যনীতিৰ প্লেন্ট আছে। কোনটো উদ্যোগত কেনে ধৰণৰ চিউআৰেজ প্লেন্ট লাগিব, সেইটো তাত ব্যৱহাৰ কৰা বয় - বস্তু বোৰৰ পৰাই জানিব পাৰি আৰু উদ্যোগটোৰ পৰা ওলোৱা চিউৰেজ পৰীক্ষা কৰিও জানিব পাৰি ...
শাৰদীঃ চাৰ! আমাৰ ব্ৰহ্মপুত্ৰ নদৰ বিষয়ে অলপ জানিব খুজিছো। সম্প্ৰতি ব্ৰহ্মপুত্ৰৰ পাণীক লৈ ভালেমান কথাই শুমা যায়। সেইবোৰৰ বিষয়ে ...
শৰ্মাঃ নিশ্চয়! নিশ্চয়!! আগেয়ে ব্ৰহ্মপুত্ৰ নদৰ পৰা সমস্যা এটাই আছিল, - পাণীৰ প্ৰাচুৰ্য্য! বছৰটোৰ প্ৰায় দহ মাহেই ই পাণীৰে ভৰপূৰ হৈ আছিল। .. এতিয়া নানান কাৰণত ইয়াত পাণিৰ পৰিমাণ কমি গৈছে ...। এই সমস্যাটো মূৰকত গৈ ভয়ংকৰ হৈ উঠিব পাৰে। .. বিদিশা ...।
বিদিশাঃ ... ব্ৰহ্মপুত্ৰত পৰা উপনৈবোৰত কৰা বিদ্যুতপ্ৰকল্প বোৰৰ বান্ধৰ বাবে, ব্ৰহ্মপুত্ৰৰ পাণী কমিব পাৰে। আকৌ আমাৰ দেশৰ বাহিৰৰ অংশত থকা ব্ৰহ্মপুত্ৰ নদত ঠায়ে ঠায়ে বান্ধ সাজি জলবিদ্যুত প্ৰকল্প কৰাৰ বাবেও তেনে হ'ব পাৰে ...। সুমন ...
সুমনঃ আজি - কালি চেটেলাইট মানে উপগ্ৰহৰ সহায়েৰে দুৰ্গম উৎসৰ পৰাই নদীৰ গতিপথৰ ফটো পাব পাৰি। সম্প্ৰতি ব্ৰহ্মপুত্ৰৰ পাণী শুকাই যোৱাৰ কাৰণ হিচাপে এচামে উপগ্ৰহৰ এনে ফটোৰ আধাৰত ব্যাখ্যাও আগ বঢ়াইছে। তেওঁলোকৰ মতে তিব্বতত সঘণে হৈ থকা ভূমিকম্পৰ ফলত ... সেই দেশত ব্ৰহ্মপুত্ৰৰ গতিপথত তিনিটাকৈ ডাঙৰ হ্ৰদ সৃষ্টি হৈছে। এয়াও এক প্ৰাকৃতিক ঘটনা। তিনিটাকৈ ডাঙৰ হ্ৰদত গতিপথৰ পাণী সোমাই পৰাৰ ফলতেই বোলে ব্ৰহ্মপুত্ৰৰ পাণী শুকাব ধৰিছে ...।
শৰ্মাঃ ... এই ব্যাখ্যা এতিয়াও পিছে পৰীক্ষিত সত্য হৈ উঠা নাই! পিছে, কথাটো একেবাৰে নুইও কৰিব নোৱাৰি। ভূমিকম্পৰ ফলত এনে হ'ব পাৰে। কেতিয়াবা আকৌ ভূমিকম্পৰ ফলত নৈৰ গতিপথেই সলনি হ'ব পাৰে। পাহাৰ - টিলা খহি নৈত পৰিলে, নৈৰ পাণী ঘোলা হব পাৰে। ভূস্তৰৰ পাণী বহু পৰিমাণে বহি গ'লেও, নৈ আৰু জলাশয় শুকাই যাব পাৰে।
মন্থৰাঃ বাৰু চাৰ! অলপতে যে ব্ৰহ্মপুত্ৰৰ পাণী চিমেন্ট মিহলি হৈ পৰিছে ...
শৰ্মাঃ অ' সেইটো?? সেইটো এতিয়াও ৰহস্য হৈয়েই আছে, খাটাংকৈ একো ক'ব পৰা হোৱা নাই; কিন্তু গতিপথৰ কোনোবা এঠাইত বা একাধিক ঠাইত এই মিশ্ৰণ ব্যাপক পৰিমাণে হ'ব লাগিব। নহ'লে উজণিৰপৰা নামনিলৈ এনেদৰে চিমেন্ট মিহলি পাণী কেবা সপ্তাহো ধৰি বৈ থাকিব নোৱাৰে। .. আচলতে এইবোৰ অদূৰ ভৱিষ্যতে হ'ব পৰা বিপদৰেই চিন যেন লাগে ...
সুমনঃ আচলতে চাৰ! ব্ৰহ্মপুত্ৰৰ দুয়ো পাৰে আগৰ তুলনাত বসতি কেইবা গুনে বাঢ়িছে। তাৰ লগতে বৈধ - অবৈধ নানান উদ্যোগো গঢ় লৈ উঠিব ধৰিছে ...। গতিকে, আমাৰ ব্ৰহ্মপুত্ৰও অচিৰেই এদিন গংগাৰ দৰেই ভয়ানক ভাৱে প্ৰদূষিত হৈ পৰিব যেনেই লাগিছে ...।
মন্থৰাঃ চাৰে ঠিক কথাকেই কৈছে। .. সময় থাকোতেই আমি সাৱধান হ'ব লাগিব আৰু বিশেষজ্ঞ সকলে দেখুৱাই দিয়া মতে কাম কৰিব লাগিব ...
শাৰদীঃ ... কাৰণ দেখাত আমাৰ চৌপাশে বহুত পাণী থাকিলেও, আমাৰ বাবে ব্যৱহাৰযোগ্য পাণীৰ পৰিমাণ কিন্তু তেনেই কম।
বিদিশাঃ ঠিকেই কৈছা শাৰদী! পেট্ৰ'লৰ দৰেই আমি ব্যৱহাৰ কৰি থাকিব পৰা পাণীৰ ভাণ্ডাৰো, ভালেখিনিয়েই সীমিত। গতিকে সকলোৱে ব্যক্তিগতভাৱে আৰু সমষ্টিগতভাৱে এই দিশত দুটা, - মাত্ৰ দুটা কাম কৰিবলৈ ল'লে, আমি সাময়িকভাৱে পাণীৰ সংকটৰ পৰা ৰক্ষা পৰিব পাৰিম ... তাৰে এটা হ'লগৈ ...
বাকীবোৰঃ ... হাত টানি, হিচাপ কৰি পাণী ব্যৱহাৰ কৰা ...
বিদিশাঃ .. মানে জলব্যৱস্থাপনা .... আৰু
বাকীবোৰঃ ... পাণীৰ প্ৰাকৃতিক উৎসবোৰ সযতনে নিৰাপদে ৰখা ...
শৰ্মাঃ ... এৰা, পাণীয়েই জীৱন আৰু পাণীৰ অভাৱেই মৰণ। তাৰ মানে বিকাশৰ ৰথচক্ৰ অব্যাহত ৰাখিব লাগিলে ... পাণীৰ ...
বাকীবোৰঃ ... সুদক্ষ ব্যৱস্থাপনা আৰু তাৰ ন ন উদ্ভাৱনবোৰ কামত লগাবই লাগিব ...
বিদিশাঃ ... বহণক্ষম বিকাশ অব্যাহত ৰাখি কামত অহা কৰিবলৈ হ'লে ...
বাকীবোৰঃ ... এনে ধৰণৰ প্ৰয়াসবোৰক আমি আগ ভাগ দিবই লাগিব!! দিবই লাগিব ...!!!

**********************************************************************************************************

প্ৰশ্ন ১ ঃ শিৱালিক অঞ্চলত নৈৰ পাণীৰে চলোৱা আটাৰ মিলবোৰৰ স্থানীয় নাম কি?
উত্তৰ ঃ ঘৰাত

প্ৰশ্ন ২ ঃ 'জলপুৰুষ' নামে খ্যাত ব্যক্তিগৰাকীৰ নাম কি?

উত্তৰ ঃ ৰাজেন্দৰ সিং